■ RNP/GH/075/2024-2026 ■ REGN. NO. 53902/95
■ Vol. 31 ■ No. `34, SUNDAY
■ e-paper : www.asomiyapratidin.in

অসমীয়া প্ৰতিদিন

অসমীয়া প্ৰতিদিন

৩১ শ বছৰ ■ সংখ্যা ৩৪ ■ ২৩ চ'ত, ১৯৪৬ শক ■ দেওবাৰ, ৬ এপ্ৰিল ■ ASOMIYA PRATIDIN ■ APRIL 6, 2025 ■ গুৱাহাটী, ডিব্ৰুগড়, লখিমপুৰ, বঙাইগাঁৱৰ পৰা প্ৰকাশিত ■ গুৱাহাটী সংস্কৰণ * / Guwahati Edition *

# দিছপুৰ মহাবিদ্যালয়ত নেহুৰ প্ৰাক্তন ছাত্ৰ সন্মিলনৰ অধিৱেশন

**প্ৰতিদিন বিশেষ সেৱা, গুৱাহাটী, ৫ এপ্ৰিল ঃ** দিছপুৰ মহাবিদ্যালয়ৰ সহযোগত মহাবিদ্যালয়খনৰ প্ৰতিমা বৰুৱা পাঙে প্ৰেক্ষাগৃহত কালি শ্বিলঙৰ উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয় (নেহু)ৰ প্ৰাণীবিজ্ঞান বিভাগৰ প্ৰাক্তন ছাত্ৰ সন্মিলনৰ অধিৱেশন অনুষ্ঠিত হয়। প্ৰাক্তন ছাত্ৰ সন্মিলনখনত সভাপতিত্ব কৰে তিনিচুকীয়া মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ ড° ঋষি দাসে। সন্মিলনৰ সাংগঠনিক সম্পাদক ড° বলেন্দ্ৰ কুমাৰ দাসে সমূহ প্ৰতিনিধিবৰ্গক আদৰণি জনায়। দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই ভাষণত প্ৰতিষ্ঠা কালৰ পৰা বৰ্তমানলৈকে মহাবিদ্যালয়খনৰ বিষয়ে কয়। নাগালেণ্ড বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য অধ্যাপক জি ডি শৰ্মাই নেহুৰ প্ৰাণীবিজ্ঞান বিভাগৰ ইতিহাসৰ বিষয়ে উল্লেখ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক পৰিমল ভট্টাচাৰ্যই 'বন্যপ্ৰাণী আৰু প্ৰকৃতি সংৰক্ষণৰ ক্ষেত্ৰত নতুন পদ্ধতি' শীৰ্ষক বক্তৃতা প্ৰদান কৰে। সভাত ভাৰতৰ প্ৰাণীবিজ্ঞান জৰীপ বিভাগৰ প্ৰাক্তন সঞ্চালক ড° জে আৰ বি আলফ্ৰেড আৰু নেহু বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ প্ৰাক্তন প্ৰাধ্যাপক পি কে প্ৰভাকৰণেও বক্তৃতা আগবঢ়ায়। এই সভাতে অষ্ট্ৰেলিয়াৰ ছিডনী বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° ৰবিন্দৰ কৌৰ বালিৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থখন উন্মোচন হয়। প্ৰাক্তন ছাত্ৰী পম্পা হাজৰাই অনুষ্ঠানটোৰ আঁত ধৰে।

